**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

বিত্ত মন্ত্ৰী অজন্তা নেওগে কাইলৈ দিনৰ চাৰে ১১ বজাত বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। এইখনে হ'ব ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিত্তমন্ত্ৰী অজন্তা নেওগে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে চৰকাৰে এখন ভাল বাজেট দিবৰ কাৰণে চেষ্টা কৰিছে। বাজেটত সামগ্ৰিকভাৱে ৰাজ্যৰ বিভিন্ন সমস্যাই স্থান পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেটত অসমক কিদৰে এখন ভাল ৰাজ্য হিচাপে গঢ়ি তোলাৰ বিভিন্ন প্ৰয়াস প্ৰতিফলিত হ'ব। এইবাৰৰ বাজেটত মহিলা, যুৱক আৰু দৰিদ্ৰক অধিক প্ৰাধান্য দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ১৪ মাৰ্চত তিনি দিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰী শ্বাহে ১৫ মাৰ্চত ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলৰ সৈতে বিশেষ বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ আসন্ন ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জনতাভৱনত এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে অমিত শ্বাহৰ ভ্ৰমণ আৰু তেওঁ উপস্থিত থাকিবলগীয়া কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা দিয়ে। ড০ শৰ্মাই লগতে এই আয়োজনৰ সৈতে জড়িত প্ৰতিটো চৰকাৰী বিভাগৰ মাজত সমন্বয় আৰু পৰিকল্পনাৰ বিষয়ে পুংখানুপুংখভাৱে বুজ লয়। বৈঠকত পীযুষ হাজৰিকা, অজন্তা নেওগকে আদি কৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড়ত নিৰ্মাণ কৰা হ'ব বিধানসভা ভৱন আৰু বিধায়ক আৱাস। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিষয়টো পৰ্যালোচনা কৰা ডিব্ৰুগড় জিলা আয়ুক্তক শীঘ্ৰে ভূমি আৱণ্টনৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীসভাৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত ভৱন আৰু আৱাস নিৰ্মাণৰ ব্যৱস্থা খৰটকীয়া কৰাত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০

শ্ৰমিক কল্যাণ, চাহ্ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ অধ্যক্ষতাত কালি ডুমডুমাত চাহ্ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি আৰু টীকাকৰণ সম্পৰ্কীয় এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত তিনিচুকীয়া জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্য, তিনিচুকীয়াৰ সহকাৰী আয়ুক্ত মঞ্জীত দলে আদি উপস্থিত থাকে। মন্ত্ৰী গোৱালাই আশাকৰ্মী আৰু আশা তত্বাৱধায়ক ৰূপে কৰ্মৰত স্বাস্থ্যকৰ্মীসকলক আঁচনিখনৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ আহ্বান জনোৱাৰ লগতে চাহ্ বাগিচা অঞ্চলৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলাক ৪টা কিস্তিত ১৫ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱাটো নিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০০

ডিব্ৰুগড়ৰ বাণীপুৰ ৰে'ল ষ্টেচনত কালি কেন্দ্ৰীয় ৰে'ল ৰাজ্য মন্ত্ৰী ভি সুমন্না উপস্থিত হয়। সন্ধিয়া ডিব্ৰুগড় ৰে'ল ষ্টেচনত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিভাগীয় কাম-কাজৰ বুজ লয়। তেওঁ কয়, যে অসমত বৈদ্যুতিক ৰে'লৰে ট্ৰেক নিৰ্মাণৰ কাম ক্ষিপ্ৰতাৰে আগবাঢ়িছে আৰু অতি কম সময়ৰ ভিতৰতে বৈদ্যুতিক ৰে'লৰ চলাচল আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ উন্নয়ন ত্বৰান্বিত হোৱা বুলি কেন্দ্ৰীয় ৰে'ল ৰাজ্য মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

কলিয়াবৰৰ ৰহঢলাত কালি পুৰা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। নিহত লোকজন প্ৰবীন বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে কলিয়াবৰৰ হাতীগাঁও, গোমোঠাগাঁও, কুঁৱৰীতল আদি অঞ্চলত এটা বনৰীয়া হাতীয়ে দীৰ্ঘদিন ধৰি ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এটা পযেকৰ ভিতৰতে বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুওৱাৰ এইটো তৃতীয়টো ঘটনা।

০০০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৰে ক্ৰীড়া সন্থা এন এফ আৰ এছ্ এ আৰু গ্লোবেল ফুটবল ক্লাৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। এন এফ আৰ এছ্ এ কালি গুৱাহাটী জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ-এ এছ্ ই বিক ২-০ গলত পৰাস্ত কৰে। একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত গ্লোবেল ফুটবল ক্লাৱে -ডুবি ক্ৰীড়া সন্থাক ৩-১ গলত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাত আজি বাকী দুখন কোৱাৰ্টাৰ ফাইনেল খেলোৱা হ'ব। ইয়াৰে প্ৰথমখনত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ - ৰাণী কোচিং চেণ্টাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দ্বিতীয়খন খেলত শ্বিলং লাজং ফুটবল ক্লাৱ - লেনৰ'ল ফুটবল ক্লাৱৰ সন্মুখীন হ'ব।

০০০০০০

সমাপ্ত